Assamese

# ইকুট বিকুট চিকুট

খেল গীত

eklavya



# ইকুট বিকুট চিকুট

খেল গীত


সঙ্কলন

আয়াং ট্ৰাষ্ট আৰু হামিংবাৰ্ড বিদ্যালয়ৰ
বুক ডেভেলপমেন্ট টীম

চিত্ৰণ

হামিংবাৰ্ড বিদ্যালয়ৰ
ছাত্ৰ-ছাত্ৰীসকল

ডিজাইন

জীৎ কমল দাস



eklavya

# ইকুট-বিকুট-চিকুট
খেল গীত

চিত্ৰণ: হামিংবাৰ্ড বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকল
ডিজাইন: জীৎ কমল দাস
সঙ্কলন: আয়াং ট্ৰাষ্ট আৰু হামিংবাৰ্ড বিদ্যালয়ৰ বুক ডেভেলপমেন্ট টীম
দীপাশ্ৰী বৰুৱা, জুমামনি শইকীয়া, ৰাকেশ পেগু
সম্পাদকীয় সহযোগীতা: ইন্দু নায়ৰ, শিৱ নাৰায়ণ গৌৰ, ঈশা বদকশ

এই কিতাপখন ক্ৰিয়েটিভ কমন্স লাইসেন্সৰ অ্যাট্ৰিবিউশন-নন-কমাৰ্শিয়াল-নো ডেৰিভেটিভস 4.0 ইন্টাৰন্যাশনাল (CC BY-NC-ND) ৰ অধীনত পৰে। ইয়াৰ সম্পূৰ্ণ বিবৰণ তলৰ লিঙ্কত পাব -https://creativecommons.org/licenses/by-nc-nd/4.0/

লেখক, চিত্ৰশিল্পী আৰু প্ৰকাশকৰ তথ্যসহ অ-বাণিজ্যিক উদ্দেশ্যে কোনো পৰিবৰ্তন নকৰাকৈ কিতাপখনৰ বিতৰণ কৰা হ'ব। অন্য কোনো অনুমতিৰ বাবে, প্ৰকাশকৰ মাধ্যমত লেখকৰ সৈতে অৱশ্যই যোগাযোগ কৰিব।

প্ৰথম সংস্কৰণ: মাৰ্চ 2024 (1000 কপি)
কাগজ: 100 gsm ম্যাপলিথো আৰু কভাৰ 220 gsm পেপাৰ বোৰ্ড
ISBN: 978-81-19771-50-9
মূল্য: ₹ 40.00

দূৰবীন, এইচ টি পাৰেখ ফাউণ্ডেশন
(H T Parekh Foundation)-ৰ আৰ্থিক সহায়ত প্ৰকাশিত।

প্ৰকাশক:
একলব্য ফাউণ্ডেশন (Eklavya Foundation)
জামনালাল বাজাজ পৰিসৰ, জাটখেড়ী,
ভূপাল – 462 026 (মপ্ৰ)
ফোন: +91 755 297 7770-71-72
www.eklavya.in

মুদ্ৰণ: আৰ কে ছিকিউপ্ৰিণ্ট প্ৰাইভেট লিমিটেড, ভোপাল, ফোন +৯১ ৭৫৫ ২৬৮৭ ৫৮৯

# আমাৰ কথা

" ইকুট-বিকুট-চিকুট " কিতাপখনৰ সংকলনটি গাঁও বা চাপৰি অঞ্চলৰ লোকসকলৰ মুখে-মুখে চলি থকা কিছুমান খেল-ধেমালিৰ গীত। এই খেল গীত সমূহ বেছি ভাগেই আমাৰ ককা-আইতাহঁতে নাতি - নাতিনীহঁতৰ লগত আজৰি পৰত গাই গাই খেলি থকা দেখা যায়। এই গীতবোৰে শিশু সকলক মনোৰঞ্জনৰ লগে লগে ভাষাৰ দক্ষতা আৰু বিকাশ বৃদ্ধিও কৰে। ছন্দ মিলোৱা কথা বোৰ তেওঁ লোকে বৰ ভাল পায় - এই গীতবোৰ নিজেই গাই ৰচনা কৰে আৰু খেলৰ নীতি-নিয়ম নিজৰ মতে বনাই লয়। শিশু সকলৰ লগত যেতিয়া আমি এই খেল গীত বোৰ খেলো, তেতিয়া তেওঁলোকৰ মাজৰ পৰাই কিছুমান নতুন শব্দ আৰু নিয়ম গীতৰ লগত জড়িত হয়। শিশুৰ এই খেল ধেমালিবোৰ এনেদৰে কিতাপৰ আকাৰ দিবলৈ চেষ্টা কৰা হৈছে।

এই পুথিখনৰ চিত্ৰকল্পবোৰ জীৱন্ত কৰি তোলাৰ মূলতে হ'ল মাজুলীৰ হামিংবাৰ্ড বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল। এই চিত্ৰকল্পৰ পুথিখন প্ৰাণ পাই উঠিল "নেশ্যনেল ইনষ্টিটিউট অফ ডিজাইন" ৰ স্নাতক জিৎ কমল দাসৰ সহযোগত। জিৎ ৰ সঞ্চালনত এটা চিত্ৰকল্পৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে এটা লিখনিক কেনেদৰে চিত্ৰ ৰূপ দিব পাৰি সেই বিষয়ে অভিজ্ঞতা লাভ কৰিলে। ই কেৱল ছাত্ৰ- ছাত্ৰীৰ চিত্ৰ চোৱাৰ নতুন দিশ মুকলি কৰাই নহয়, এই সংকলনত চিত্ৰবোৰ প্ৰাণৱন্ত হৈ উঠিল।

আমি আশা কৰোঁ "ইকুট-বিকুট-চিকুট" কিতাপখন প্ৰাক প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষাৰ এক বিশেষ অংশ হৈ পৰিব। লগতে আশা কৰোঁ প্ৰাপ্তবয়স্ক সকলেও কিতাপখন ভাল পাব।


ইতি

আয়াং ট্ৰাষ্ট আৰু হামিংবাৰ্ড বিদ্যালযৰ


বুক ডেভেলপমেন্ট টীম

মাৰ্চ ২০২৪


# ইকুট
# বিকুট
# চিকুট



"ইজিক মিজিক চিজিক যায়
বোকা মাটি উৰি যায়
হাতী পুথি বজাৰ বাটি!"



“কপৌ চৰাই বিয়া হ’ল
তাৰে এটি ল’ৰা হ’ল…




…আমি গ’লো চাবলৈ
আমাক দিলে ল’বলৈ…




…আমি দিলো চিকুটি
আমাক দিলে গালি
আমি দিলো কান্দি…


…আমাৰ মা শিক্ষক
আমাৰ দেউতা ডাক্তৰ
আমাৰ দাদা হিৰ’
পৰীক্ষাত পালোঁ জিৰ’!”



“কাউৰী বোলে কা কা
আমাৰ ঘৰলৈ আহ্ আহ্
বোকা আছে, পানী আছে,
কেনেকৈ যাম?
উৰি উৰি আহ আহ

কা- কা- কা- কা।”






“ইলি লিকি পিলি লিকি
মাকৰ গুটি পঞ্চৱতী, জোলা....

জোলা গুটি পাহাৰীয়া গুটি,
তিনতলীয়া....


তিনতলীয়া ভাষা  ফুলেশ্চৰ ভাষা
আপকা গুটি তাপকা যায়
এটি  বা চেণ্টি...”

"মা মা! মাৰিলে মাৰিলে!
কোনে কোনে?
দেউতাই দেউতাই!
কেনেকৈ কেনেকৈ?
এনেকৈ এনেকৈ!"



“আদুলি পাদুলি লতাই গাঁও...
...কোনে পাদিলে সুধি চাওঁ
বে জনী ইচুত পিচুত
ফুছ...”





“এইটো কাৰ দৌল?

ৰজাৰ দৌল!

ভাঙিম  নে নাভাঙিম?

নাভাঙিবা!

পকা পান পাৰিমনে নাপাৰিম?

নাপাৰিবা!


কলি কুকুৰক মাতিমনে নামাতিম?

নামাতিবা!

কলি ঔছ

বগী ঔছ

ধেকেছ্ !”





“অলৌ গুটি টলৌ গুটি
কচুগুটি ঘাই,
যি হাতত গুটি আছে
সেই হাতত পায়!”




“ইংকি পিংকি ভাই ভনী
বাটত আছে গেলা কণী
ইংকিয়ে বোলে ছিঃছিঃ...

এক দুই তিনি।”





“টুম টুম টুমনি
মাধৱকৈ মামণি,
এমুঠি খাবলৈ
যা যা জলপান খা।”



"আম তললৈ গৈছিলোঁ...
আম তিনিটা পাইছিলোঁ,
আম তিনিটা নাম হ'ল...
এক দুই তিনি।"

এই খেল গীত বোৰ আপোনাক আৰু কিছুমান একে ধৰণৰ খেল গীতৰ কথা মনত পেলাই দিব পাৰে। যদি আপুনি সেইবোৰ আপোনাৰ বন্ধুবৰ্গৰ সৈতে ভাগ বতৰা কৰিব বিচাৰে, তেন্তে ইয়াত লিখক আৰু হামিংবাৰ্ড স্কুল, আয়াং ট্ৰাষ্ট বা একলব্যলৈ প্ৰেৰণ কৰক:

## হামিংবাৰ্ড বিদ্যালয়

বৃহত্তম নদীদ্বীপ মাজুলীৰ চাপৰি এলেকাৰ এখন গাঁৱত প্ৰতিস্থিত হামিং বাৰ্ড বিদ্যালয়। ২০১৭ চনত চুবুৰীয়া গাঁৱৰ ৰাইজৰ সহযোগত এই বিদ্যালয়ৰ আৰাম্ভণি। বৰ্তমান বিদ্যালয়খনে প্ৰায় ২৮০ জন ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ সপোন আৰু আশাবাদী ভৱিষ্যতৰ দিশত সেৱা আগবঢ়ায়।

## আয়াং ট্ৰাষ্ট

এটা বেচৰকাৰী সংস্থা হিচাপে ২০১৭ চনত মাজুলীত স্থাপন কৰা হৈছিল। আয়াং ট্ৰাষ্টে সমাজৰ প্ৰান্তীয় শ্ৰেণীৰ উন্নয়ণৰ হকে শিক্ষা, জীৱিকা আৰু সামাজিক দিশত কাম কৰি আহিছে। প্ৰাথমিক শিক্ষাৰ উন্নয়ণ, স্বাস্থ্যৰ সুবিধা উপলব্ধ কৰা আৰু জীৱিকাৰ পথ সুচল কৰাটো আয়াঙৰ দৃঢ় সংকল্প। আয়াংৰ উদ্যোগত আৰু গাঁও সমূহৰ সহযোগত মাজুলীত চল্লিশটা পুথিভঁৰাল গঢ় লৈ উঠিছে; যি শিশুৰ পৰা বৃদ্ধলৈকে প্ৰতিটো শ্ৰেণীৰ লোকক কিতাপ পঢ়াৰ লগতে এক সামূহিক আলোচনাৰ স্থান প্ৰদান কৰিবলৈ সক্ষম হৈছে। জীৱন-জীৱিকাৰ জৰিয়তে মহিলা সকলৰ লগত বেকাৰী , বোৱা-কটা, বাঁহৰ সামগ্ৰী আদি প্ৰস্তুতৰ বাবে বিভিন্ন প্ৰশিক্ষণৰ জৰিয়তে সহযোগ কৰা হয়।

## একলব্য

একলব্য হৈছে ১৯৮২ চনত প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম পৰিৱৰ্তনৰ বাবে শৈক্ষিক কাৰ্যসূচী, ক্ষুদ্ৰ পৰ্যায়ত, আৰু চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ জৰিয়তে মূলসুঁতিলৈ সক্ৰিয়ভাৱে বীজ সিঁচি বিকশিত কৰিবলৈ গঠন কৰা এখন বেচৰকাৰী পঞ্জীয়নভুক্ত সমাজ। একলব্যৰ প্ৰকাশন আৰু প্ৰচাৰৰ প্ৰচেষ্টা ইয়াৰ বিদ্যালয় আৰু সম্প্ৰদায়ভিত্তিক কাৰ্যসূচীৰ দ্বাৰা পৰিচালিত হয়। পঠন সামগ্ৰী পাঠকৰ জীৱন আৰু পৰিৱেশৰ ওচৰত ৰখা আৰু লগতে সুলভ মূল্যত উৎপাদন কৰাটোৱেই আটাইতকৈ ডাঙৰ চিন্তা। একলব্যই হিন্দী, ইংৰাজী, মাৰাঠী, গুজৰাটী, বাংলা, অসমীয়া, কানাড়া, ওড়িয়া, উৰ্দু আৰু গণ্ডী, কোৰকু, মালৱী, বুণ্ডেলী, মুণ্ডাৰী আৰু মিছিং আদি অনুসূচীবিহীন ভাষাত গ্ৰন্থৰ শিৰোনাম প্ৰকাশ কৰিছে। একলব্যই হিন্দী ভাষাত তিনিখন আলোচনী চকমক, শ্ৰোটে আৰু সন্দৰ্ভও প্ৰকাশ কৰে।



Price : ₹ 40.00

9 788119 771509